**“মৰমৰ সন্তানসকল – তোমালোকৰ কাম হৈছে নিজে নিজৰ সৈতে বাৰ্তালাপ কৰি পাৱন হোৱা, অন্য আত্মাসকলৰ চিন্তনত নিজৰ সময় নষ্ট নকৰিবা”**

প্ৰশ্ন: কোনটো কথা বুদ্ধিত উদয় হৈ গ’লে পুৰণা সকলো অভ্যাস দূৰ হৈ যাব?

উত্তৰ: আমি বেহদৰ পিতাৰ সন্তান গতিকে বিশ্বৰ মালিক হৈ গ’লোঁ, আমি দেৱতা হ'ব লাগে - এইটো কথা বুদ্ধিত উদয় হৈ গ’লে পুৰণা সকলো অভ্যাস দূৰ হৈ যাব। তোমালোকে কোৱা বা নোকোৱা, নিজেই এৰি দিবা। ওলট-পালট খোৱা-বোৱা, মদ্যপান আদি আপোনাআপুনি এৰি দিবা। ক'বা বাঃ! আমিতো এই লক্ষ্মী-নাৰায়ণ হ'ব লাগে। 21 জন্মৰ ৰাজ্য-ভাগ্য পোৱা যায় তেন্তে কিয়নো পৱিত্ৰ হৈ নাথাকিম!

ওঁম্ শান্তি। পিতাই বাৰে বাৰে সন্তানসকলৰ মনোযোগ আকৰ্ষণ কৰাই থাকে যে পিতাৰ স্মৃতিত বহি আছানে? বুদ্ধি ক’ৰবাত অন্য ফালেতো নাযায়? পিতাক আহ্বানো এই কাৰণেই জনায় যে বাবা আহি আমাক পাৱন কৰি তোলক। পাৱনতো নিশ্চয় হ'ব লাগে আৰু জ্ঞানতো তোমালোকে যিকোনো লোককে বুজাব পাৰা। এই সৃষ্টিৰ চক্ৰ কেনেকৈ ঘূৰে, তোমালোকে যাকেই নুবুজোৱা কিয় তৎক্ষণাৎ বুজি পাব। পৱিত্ৰ নহ’লেও তেতিয়াও জ্ঞানতো পঢ়িয়ে ল'ব। কোনো ডাঙৰ কথা নহয়। 84 চক্ৰ আৰু প্ৰতিটো যুগৰে ইমান আয়ুস, ইমান জন্ম। কিমান সহজ। ইয়াৰ লগত স্মৃতিত থকাৰ সম্পৰ্ক নাই, এয়াতো হৈছে পঢ়া। পিতাইতো যথাৰ্থ কথা বুজায়। বাকী হৈছে সতোপ্ৰধান হোৱাৰ কথা। সেয়া স্মৃতিৰ দ্বাৰা হ’বা। যদি স্মৰণ নকৰা তেন্তে তেনেই সৰু পদ পাবা। ইমান উচ্চ পদ পাব নোৱাৰিবা সেই কাৰণে কোৱা হয় মনোযোগ দিয়া। বুদ্ধিৰ যোগসূত্ৰ যাতে পিতাৰ সৈতে থাকে। ইয়াকে প্ৰাচীন যোগ বুলি কোৱা হয়। শিক্ষকৰ সৈতেতো যোগসূত্ৰ সকলোৰে থাকিবই। মূল কথা হৈছে স্মৃতিৰ। স্মৃতিৰ যাত্ৰাৰেই সতোপ্ৰধান হ'ব লাগে আৰু সতোপ্ৰধান হৈ ঘৰলৈ উভতি যাব লাগে। বাকী পঢ়াতো একেবাৰে সহজ। কোনোবা শিশুৱেও বুজিব পাৰে। মায়াৰ যুদ্ধ এই স্মৃতিৰ যাত্ৰাতে চলে। তোমালোকে পিতাক স্মৰণ কৰা মায়াই আকৌ নিজৰ ফালে আকৰ্ষণ কৰি পাহৰাই দিয়ে। এনেকৈ কোৱা নহয় যে মোৰ মাজততো শিৱবাবা বহি আছে, মই শিৱ। নহয়, মই আত্মা, শিৱবাবাক স্মৰণ কৰিব লাগে। এনেকুৱা নহয় যে মোৰ মাজত শিৱবাবা প্ৰৱেশ কৰিছে। এনেকুৱা হ'ব নোৱাৰে। পিতাই কয় - মই কাৰো দেহত নাযাওঁ। মই এই ৰথত আৰোহন কৰি তোমালোক সন্তানসকলক বুজাওঁ। অৱশ্যে হয়, কোনোবা ভোদা বুদ্ধিৰ সন্তান হ'লে আৰু কোনোবা ভাল জিজ্ঞাসু আহিলে তেতিয়া তেওঁৰ সেৱাৰ অৰ্থে মই প্ৰৱেশ কৰি দৃষ্টি দিব পাৰো। সদায় বহিব নোৱাৰো। বহু ৰূপ ধাৰণ কৰি কাৰোবাৰ কল্যাণ কৰিব পাৰো। বাকী এনেকৈ কোনেও ক'ব নোৱাৰে যে মোৰ মাজত শিৱবাবা প্ৰৱেশ কৰিছে, মোক শিৱবাবাই এইটো কৈছে। নহয়, শিৱবাবাইতো সন্তানসকলকে বুজায়। মূল কথা হয়েই পৱিত্ৰ হোৱাৰ, যাতে পুনৰ পৱিত্ৰ সৃষ্টিলৈ যাব পাৰে। 84ৰ চক্ৰতো বহুত সহজে বুজায়। চিত্ৰ সন্মুখত আৰি থোৱা আছে। পিতাৰ বাহিৰে ইমান জ্ঞানতো কোনেও দিব নোৱাৰে। আত্মায়ে জ্ঞান পায়। তাকে জ্ঞানৰ তৃতীয় নেত্ৰ বুলি কোৱা হয়। আত্মাৰেই সুখ-দুখ হয়, আত্মাৰ এই শৰীৰ আছে নহয়। আত্মাহে দেৱতা হয়গৈ। কোনোবা বেৰিষ্টাৰ, কোনোবা বেপাৰী আত্মাহে হয়। সেয়েহে এতিয়া আত্মাসকলৰ সৈতে পিতাই বহি কথা পাতে, নিজৰ পৰিচয় দিয়ে। তোমালোক যেতিয়া দেৱতা আছিলা, তেতিয়া মনুষ্যই আছিলা, কিন্তু পৱিত্ৰ আত্মা আছিলা। এতিয়া তোমালোক পৱিত্ৰ নহয় সেই কাৰণে তোমালোকে দেৱতা বুলি ক'ব নোৱাৰা। এতিয়া দেৱতা হ'বলৈ পৱিত্ৰ নিশ্চয় হ'ব লাগে। তাৰ বাবে পিতাক স্মৰণ কৰিব লাগে। প্ৰায়ে এনেকৈ কয় - বাবা, মোৰ দ্বাৰা এইটো ভুল হৈ গ'ল যে মই দেহ অভিমানত আহি গ’লোঁ। পিতাই বহি সন্তানসকলক বুজায় - পৱিত্ৰ নিশ্চয় হ'ব লাগে। কোনো বিকৰ্ম নকৰিবা। তোমালোক ইয়াতেই সৰ্বগুণ সম্পন্ন হ'ব লাগে। পৱিত্ৰ হ'লে মুক্তিধামলৈ গুচি যাবা। অন্য কোনো প্ৰশ্ন সোধাৰ কথাই নাই। তোমালোকে নিজৰ সৈতে কথা পাতা, অন্য আত্মাৰ চিন্তন নকৰিবা। এনেকৈ কয় যে যুদ্ধত দুই কোটিৰ মৃত্যু হ'ল। ইমান আত্মা ক'লৈ গ'ল? হেৰ, সেইবোৰ য'লৈকে নাযাওঁক, তাত তোমালোকৰ কি যায়। তোমালোকে কিয় সময় নষ্ট কৰা? অন্য কোনো কথা সোধাৰ দৰকাৰ নাই। তোমালোকৰ কাম হ'ল পৱিত্ৰ হৈ পৱিত্ৰ সৃষ্টিৰ মালিক হোৱা। অন্য কথাত গ'লে বিভ্ৰান্ত হৈ যাবা। কোনোবাই পূৰা উত্তৰ নাপালে তেতিয়া বিভ্ৰান্ত হৈ যায়।

পিতাই কয় – ‘মনমনাভৱ’। দেহ সহিত দেহৰ সকলো সম্বন্ধ ত্যাগ কৰা, মোৰ ওচৰলৈকে তোমালোক আহিব লাগে। মনুষ্য মৰিলে যেতিয়া মৰিশালিলৈ লৈ যায় সেই সময়ত মুখখন ঘৰৰ ফালে আৰু ভৰি মৰিশালিৰ ফালে ৰাখে আকৌ যেতিয়া মৰিশালিৰ ওচৰ পায় তেতিয়া ভৰি ঘৰৰ ফালে আৰু মুখখন মৰিশালিৰ ফালে কৰি দিয়ে। তোমালোকৰো ঘৰ

ওপৰত নহয় জানো। ওপৰলৈ কোনো পতিত যাব নোৱাৰে। পাৱন হ’বলৈ বুদ্ধিৰ যোগসূত্ৰ পিতাৰ সৈতে যুক্ত কৰিব লাগে। পিতাৰ ওচৰত মুক্তিধামলৈ যাব লাগে। পতিত হোৱা বাবেই আহ্বান জনায় যে আমাক পতিতসকলক আহি পাৱন কৰি তোলক, মুক্ত কৰক। সেয়েহে পিতাই কয় - এতিয়া পৱিত্ৰ হোৱা। পিতাই যিটো ভাষাত বুজায়, সেইটো ভাষাতে কল্পই কল্পই বুজাব। তেওঁৰ যিটো ভাষা সেইটো ভাষাতে নুবুজাব জানো। আজিকালি হিন্দী বহুত চলে, এনেকুৱা নহয় যে ভাষা সলনি কৰিব পাৰি। নহয়, সংস্কৃত ভাষা আদিতো দেৱতাসকলৰ নহয়। হিন্দু ধৰ্মৰ ভাষা সংস্কৃত নহয়। হিন্দীহে হোৱা উচিত। তেন্তে সংস্কৃত কিয় ব্যৱহাৰ কৰে? গতিকে পিতাই বুজায় - ইয়াত যেতিয়া বহা তেতিয়া পিতাৰ স্মৃতিত বহিব লাগে, অন্য কোনো কথাত তোমালোক নাযাবাই। ইমান মহ ওলায়, ক’লৈ যায়? ভূমিকম্পত তৎক্ষণাৎ অনেক মৰে, আত্মাবোৰ ক’লৈ যায়? এই কথাবোৰত তোমালোকৰ কি যায়। তোমালোকক পিতাই শ্ৰীমত দিছে যে নিজৰ উন্নতিৰ কাৰণে পুৰুষাৰ্থ কৰা। আনৰ চিন্তনত নাযাবা। এনেকৈতো অনেক কথাৰ চিন্তন হৈ যাব। তোমালোকে মাথো মোক স্মৰণ কৰা, যাৰ বাবে আহ্বান জনাইছা সেইটো যুক্তিত চলা। তোমালোকে পিতাৰ পৰা উত্তৰাধিকাৰ ল’ব লাগে, অন্য কথাত যাব নালাগে সেই কাৰণে বাবাই বাৰে বাৰে কয় - মনোযোগ দিয়া! বুদ্ধি ইফালে-সিফালেতো নাযায়। ভগৱানৰ শ্ৰীমত মানিব নালাগে জানো। অন্য কোনো কথাত লাভ নাই। মুখ্য কথা হৈছে পাৱন হোৱাৰ। এইটো দৃঢ়ভাবে স্মৃতিত ৰাখিবা - আমাৰ বাবা, বাবাও হয়, শিক্ষকো, গুৰুও হয়। এইটো স্মৃতি নিশ্চয় অন্তৰত ৰাখিবা - পিতা, পিতাও হয়, আমাক পঢ়ায়, যোগ শিকায়। শিক্ষকে পঢ়ায় গতিকে বুদ্ধিৰ যোগসূত্ৰ শিক্ষকৰ সৈতে আৰু পঢ়াৰ সৈতে থাকিব লাগে। এই পিতায়ো কয় - তোমালোক পিতাৰতো হৈয়ে গ’লা। সন্তানতো হোৱাই, সেইবাবেতো ইয়াত বহি আছা। শিক্ষকৰ পৰা পঢ়ি আছা। য’তেই নাথাকা পিতাৰতো হোৱাই আকৌ পঢ়াৰ প্ৰতি মনোযোগ দিব লাগে। শিৱবাবাক স্মৰণ কৰিলে তেতিয়া বিকৰ্ম বিনাশ হ’ব আৰু তোমালোক সতোপ্ৰধান হৈ যাবা। এই জ্ঞান আন কোনেও দিব নোৱাৰে। মনুষ্যতো ঘোৰ অন্ধকাৰত আছে। জ্ঞানত চোৱা কিমান শক্তি আছে। শক্তি ক’ৰ পৰা পোৱা যায়? পিতাৰ পৰা শক্তি পোৱা যায় যাৰ দ্বাৰা তোমালোক পৱিত্ৰ হৈ যোৱা। আকৌ পঢ়াও হৈছে সহজ। সেই পঢ়াত বহুত মাহ লাগি যায়। ইয়াততো 7 দিনৰ পাঠ্যক্ৰম। তাৰ পৰাই তোমালোকে সকলো বুজি পাবা আকৌ সেয়া নিৰ্ভৰ কৰে বুদ্ধিৰ ওপৰত। কোনোবাই বেছি সময় লগায়, কোনোবাই কম। কোনোবাইতো 2-3 দিনতে ভালকৈ বুজি পায়। মুখ্য কথা হৈছে পিতাক স্মৰণ কৰা, পৱিত্ৰ হোৱা। সেইটোৱেই কঠিন লাগে। বাকী পঢ়াতো একেবাৰে সহজ। স্বদৰ্শন চক্ৰধাৰী হ’ব লাগে। এদিনৰ পাঠ্যক্ৰমতে সকলোবোৰ বুজিব পাৰে। মই আত্মা, বেহদৰ পিতাৰ সন্তান তেন্তে নিশ্চয় মই বিশ্বৰ মালিক হৈ গ’লোঁ। এয়া বুদ্ধিত উদয় নহয় জানো। দেৱতা হ’বলৈ হ’লে দৈৱীগুণো ধাৰণ কৰিব লাগে, যাৰ বুদ্ধিত উদয় হৈ গ’ল তেওঁ অতি সোনকালে সকলো অভ্যাস ত্যাগ কৰি দিব। তোমালোকে কোৱা বা নোকোৱা, নিজে নিজে এৰি দিব। ওলট-পালট খোৱা-বোৱা, মদ্যপান আদি নিজেই এৰি দিব। এনেকৈ কয় – বাঃ! মই এনেকুৱা হ’ব লাগে, 21 জন্মৰ কাৰণে ৰাজ্য পোৱা যায় তেন্তে কিয় পৱিত্ৰ নহ’ম। একেবাৰে লিপিত খাই যাব লাগে। মুখ্য কথা হৈছে স্মৃতিৰ যাত্ৰা। বাকী 84ৰ চক্ৰৰ জ্ঞানতো এক চেকেণ্ডত প্ৰাপ্ত হৈ যায়। দেখাৰ লগে লগে বুজি পায়। নতুন বৃক্ষ নিশ্চয় সৰু হ’ব। এতিয়াতো কিমান বিশাল বৃক্ষ তমোপ্ৰধান হৈ গ’ল। কালিলৈ পুনৰ নতুন সৰু হৈ যাব। তোমালোকে জানা - এই জ্ঞান কেতিয়াও ক’তো পাব নোৱাৰে। এয়া হৈছে পঢ়া, প্ৰথম মুখ্য শিক্ষাও পোৱা যায় যে পিতাক স্মৰণ কৰা। পিতাই পঢ়ায়, এইটো নিশ্চয় কৰা। ভগৱানুবাচ (ভগৱানে কয়) - মই তোমালোকক ৰাজযোগ শিকাওঁ। আন কোনো মনুষ্যই এনেকৈ ক’ব নোৱাৰে। শিক্ষকে পঢ়ায় তেন্তে নিশ্চয় শিক্ষকক স্মৰণ নকৰিব জানো। বেহদৰ পিতাও হয়, পিতাই আমাক স্বৰ্গৰ মালিক কৰি তোলে। কিন্তু আত্মা কেনেকৈ পৱিত্ৰ হ’ব - এয়া কোনেও ক’ব নোৱাৰে। নিজক ভগৱান বুলিয়েই কওঁক বা আন কিবা বুলিয়েই কওঁক কিন্তু পৱিত্ৰ কৰি তুলিব নোৱাৰে। আজিকালি ভগৱানতো বহুত হৈ গ’ল। মনুষ্য বিভ্ৰান্ত হৈ গৈছে। এনেকৈ কয় - অনেক ধৰ্মৰ আবিৰ্ভাৱ হ’ল, কি জানো কোনটো শুদ্ধ। যদিও তোমালোকৰ প্ৰদৰ্শনী বা সংগ্ৰাহালয় আদি উদ্‌ঘাটন কৰে কিন্তু একোৱে বুজি নাপায়। বাস্তৱত উদ্‌ঘাটনতো হৈয়ে গ’ল। প্ৰথমে ভেটি স্থাপনা কৰা হয়, তাৰপাছত যেতিয়া ঘৰ তৈয়াৰ হৈ যায় তেতিয়া উদ্‌ঘাটন কৰা হয়। ভেটি স্থাপনা কৰিবলৈও নিমন্ত্ৰণ জনোৱা হয়। গতিকে এয়াও পিতাই স্থাপনা কৰি দিলে, বাকী নতুন সৃষ্টিৰ উদ্‌ঘাটনতো হৈয়ে যাব, তাত কাৰো দ্বাৰা উদ্‌ঘাটন কৰাৰ দৰকাৰ নাথাকে। উদ্‌ঘাটনতো স্বতঃ হৈয়ে যাব। ইয়াত পঢ়ি আকৌ আমি নতুন সৃষ্টিলৈ গুচি যাম।

তোমালোকে বুজি পোৱা যে এতিয়া আমি স্থাপনা কৰি আছোঁ যাৰ কাৰণেই যত্ন কৰিবলগীয়া হয়। বিনাশ হ’ব তাৰপাছত এই সৃষ্টিখনেই পৰিৱৰ্তন হৈ যাব। পুনৰ তোমালোক নতুন সৃষ্টিত ৰাজ্য কৰিবলৈ আহি যাবা। সত্যযুগৰ স্থাপনা পিতাই কৰিছে আকৌ তোমালোক আহিলে স্বৰ্গৰ ৰাজধানী প্ৰাপ্ত হৈ যাব। বাকী উদ্বোধনী উৎসৱ কোনে কৰিব? পিতাতো স্বৰ্গলৈ নাহে। আগলৈ গৈ দেখিবা স্বৰ্গত কি হয়। অন্তিম সময়ত কি হয়! আগলৈ গৈ বুজি পাবা। তোমালোক সন্তানসকলে জানা যে পৱিত্ৰতা অবিহনে সন্মান সহকাৰে আমি স্বৰ্গলৈ যাব নোৱাৰো। ইমান উচ্চ পদো পাব নোৱাৰিম সেই কাৰণে পিতাই কয় -

খুব পুৰুষাৰ্থ কৰা। পেছাগত কাম-কাজ আদিও লাগিলে কৰা কিন্তু অতি বেছি ধনৰে কি কৰিবা। খাবতো নোৱাৰিবা। তোমালোকৰ নাতিপুতি আদিয়েও নাখাব। সকলো মাটিত মিলি যাব সেই কাৰণে যুক্তিৰে অলপ জমা ৰাখা। বাকী সকলো তালৈ স্থানান্তৰ কৰি দিয়া। সকলোতো স্থানান্তৰ কৰিব নোৱাৰা। গৰিবে সোনকালে স্থানান্তৰ কৰি দিয়ে। ভক্তিমাৰ্গতো স্থানান্তৰ কৰে পৰৱৰ্তী জন্মৰ কাৰণে। কিন্তু সেয়া হ'ল আওপকীয়া। এয়া হৈছে পোনপটীয়া। পতিত মনুষ্যৰ পতিতৰ লগতে লেন-দেন হয়। এতিয়াতো পিতাৰ আগমন হৈছে, তোমালোকৰ পতিতৰ লগত লেন-দেন নাই। তোমালোক হৈছা ব্ৰাহ্মণ, ব্ৰাহ্মণসকলকহে তোমালোকে সহায় কৰিব লাগে। যিয়ে নিজে সেৱা কৰে, তেওঁলোকক সহায়ৰ প্ৰয়োজন নাই। ইয়াত চহকী-গৰিব সকলো আছে। বাকী কোটিপতিসকল কাচিৎহে আহিব। পিতাই কয় - মই হৈছোঁ গৰিবৰ ত্ৰাণকৰ্তা। ভাৰত হৈছে অতি গৰিব খণ্ড। পিতাই কয় - মই ভাৰতলৈকে আহোঁ, তাৰ ভিতৰতো এই আবু হৈছে সকলোতকৈ শ্ৰেষ্ঠ তীৰ্থ য'ত পিতা আহি গোটেই বিশ্বৰে সৎগতি কৰে। এয়া হ'ল নৰক। তোমালোকে জানা যে নৰকৰ পৰা আকৌ স্বৰ্গ কেনেকৈ হয়। এতিয়া তোমালোকৰ বুদ্ধিত গোটেই জ্ঞান আছে। পিতাই পাৱন হোৱাৰ এনেকুৱা যুক্তি শুনায়, যে সকলোৰে কল্যাণ কৰি দিয়ে। সত্যযুগত কোনোধৰণৰ অকল্যাণৰ কথা, কন্দা-কটা আদি একো নাথাকে। এতিয়া পিতাৰ যি মহিমা - জ্ঞানৰ সাগৰ, সুখৰ সাগৰ, তোমালোকৰো এতিয়া সেয়াই মহিমা, যি পিতাৰ মহিমা। তোমালোকো আনন্দৰ সাগৰ হোৱা, বহুতক সুখ দিয়া আকৌ যেতিয়া তোমালোক আত্মাসকলে সংস্কাৰ লৈ নতুন সৃষ্টিলৈ যাবা তেতিয়া তাত তোমালোকৰ মহিমা সলনি হৈ যাব। তোমালোকক কোৱা হ'ব - সৰ্বগুণ সম্পন্ন.... এতিয়া তোমালোক নৰকত বহি আছা, ইয়াক কাঁইটৰ জংঘল বুলি কোৱা হয়। পিতাকহে বাগিচাৰ মালিক, নাৱৰীয়া বুলি কোৱা হয়। গায়নো কৰে - আমাৰ নাও পাৰ কৰা কিয়নো দুখী হোৱাৰ কাৰণে আত্মাই আহ্বান জনায়। মহিমা যদিও গায় কিন্তু একোৰে বুজি নাপায়। যি আছে তাকে কৈ দিয়ে। উচ্চতকৈও উচ্চ ভগৱানৰ নিন্দা কৰি থাকে। তোমালোকে ক'বা আমিতো আস্তিক। সকলোৰে সৎগতি দাতা যিজন পিতা, আমি তেওঁৰ পৰিচয় জানি গ'লোঁ। পিতাই নিজে পৰিচয় দিছে। তোমালোকে ভক্তি নকৰা বাবে কিমান বিৰক্ত কৰে। তেওঁলোক হৈছে সংখ্যাগৰিষ্ঠ, তোমালোক সংখ্যালঘিষ্ঠ। যেতিয়া তোমালোক সংখ্যাগৰিষ্ঠ হৈ যাবা তেতিয়া তেওঁলোকো আকৰ্ষিত হ'ব। বুদ্ধিৰ তলা খুলি যাব। ভাল বাৰু!

অতি মৰমৰ, কল্পৰ পাছত পুনৰাই মিলিত হোৱা সন্তানসকলৰ প্ৰতি মাতা-পিতা বাপদাদাৰ স্নেহপূৰ্ণ স্মৰণ আৰু সুপ্ৰভাত। আত্মিক পিতাৰ আত্মিক সন্তানসকলক নমস্কাৰ।

*ধাৰণাৰ বাবে মুখ্য সাৰ:-**

(1) নিজৰ উন্নতিৰ কথাহে চিন্তন কৰিব লাগে। অন্য কোনো কথাত যাব নালাগে। পঢ়া আৰু স্মৃতিত থকাৰ প্ৰতি পূৰা মনোযোগ দিব লাগে। বুদ্ধি দিগভ্ৰান্ত হ’ব দিব নালাগে।

(2) পিতা এতিয়া পোনপটীয়াকৈ আহিছে সেয়েহে নিজৰ সকলো যুক্তিৰে স্থানান্তৰ কৰি দিব লাগে। পতিত আত্মাসকলৰ সৈতে লেন-দেন কৰিব নালাগে। সন্মান সহকাৰে স্বৰ্গলৈ যোৱাৰ বাবে পৱিত্ৰ নিশ্চয় হ’ব লাগে।

**বৰদান:** মন আৰু বুদ্ধি ব্যৰ্থৰ পৰা মুক্ত কৰি ৰাখি ব্ৰাহ্মণ সংস্কাৰ ধাৰণ কৰোঁতা শাসক হোৱা

যিকোনো সৰু ব্যৰ্থ কথা, ব্যৰ্থ বাতাবৰণ বা ব্যৰ্থ দৃশ্যৰ প্ৰভাৱ প্ৰথমে মনৰ ওপৰত পৰে তাৰপাছত বুদ্ধিয়ে তাক সহযোগ দিয়ে। মন আৰু বুদ্ধি যদি সেইদৰে চলি থাকে তেতিয়া সংস্কাৰ গঢ় লৈ উঠে। সেয়েহে ভিন্ন ভিন্ন সংস্কাৰ দেখিবলৈ পোৱা যায়, যিবোৰ ব্ৰাহ্মণ সংস্কাৰ নহয়। যিকোনো ব্যৰ্থ সংস্কাৰৰ বশ হোৱা, নিজৰ সৈতে যুদ্ধ কৰা, বাৰে বাৰে আনন্দ নাইকিয়া হৈ যোৱা - এয়া ক্ষত্ৰিয়বোধৰ সংস্কাৰ। ব্ৰাহ্মণ অৰ্থাৎ শাসক ব্যৰ্থ সংস্কাৰৰ পৰা মুক্ত হ’ব, পৰৰ বশৱৰ্তী নহয়।

**শ্লোগান:** মাষ্টৰ সৰ্বশক্তিমান তেৱেঁই যিয়ে দৃঢ় প্ৰতিজ্ঞাৰে সকলো সমস্যা সহজে অতিক্ৰম কৰি লয়।

!! ওঁম্ শান্তি !!

“ইচ্ছা মাত্ৰম অবিদ্যা” স্থিতিৰ অনুভৱ কৰিবলৈ আৰু কৰাবলৈ আজিৰ অব্যক্ত সংকেত:

তোমালোক সন্তানসকল যিমানে সকলো কামনাৰ পৰা উপৰাম হৈ থাকিবা সিমানে সকলো কামনা সহজে পূৰ্ণ হৈ গৈ থাকিব। সুবিধা নিবিচাৰিবা, দাতা হৈ দিয়া। কোনো সেৱাৰ প্ৰতি বা নিজৰ প্ৰতি অৱলম্বনৰ আধাৰত নিজৰ উন্নতি বা সেৱাৰ অল্পকালৰ সফলতা প্ৰাপ্ত হৈ যাব কিন্তু আজি মহান হ’বা কাইলৈ মহানতাৰ তৃষ্ণাতুৰ আত্মা হৈ যাবা, সদায় প্ৰাপ্তিৰ

ইচ্ছাত থাকিবা সেয়েহে “ইচ্ছা মাত্রম্ অবিদ্যা হোৱা”।